**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-10-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। বিহাৰৰ বিধানসভা নিৰ্বাচন সন্দৰ্ভত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে আজি পৰ্য্যালোচনা কৰে। নিৰ্বাচনৰ দিন শীঘ্ৰেই ঘোষণা কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰিছে।

২। নেপালত ধাৰাষাৰ বৰষুণৰ ফলত হোৱা ক্ষয়-ক্ষতিত ভাৰতে প্ৰয়োজনীয় সকলো সহায় আগবঢ়াবলৈ প্ৰস্তুত বুলি প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰকাশ কৰিছে।

৩। বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰী মহিলাৰীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

*আৰু*

৪। কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ দিন শীঘ্ৰেই ঘোষণা কৰা হ'ব বুলি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে আজি প্ৰকাশ কৰিছে। তেওঁ ইতিমধ্যে ৰাজনৈতিক দলসমূহৰ সৈতে আলোচনাত মিলিত হৈ তেওঁলোকৰ মতামত গ্ৰহণ কৰিছে বুলিও উল্লেখ কৰে। তেওঁ লগতে কয়, যে সকলো দিশৰ প্ৰতি লক্ষ্য ৰাখি ভোটদানৰ সময়-সূচী নিৰ্ধাৰণ কৰা হ'ব। বিহাৰত মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে ১৭ টা নতুন পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ দ্বাৰা ভোটদানৰ সময়ত ভোটাদাতাসকল বিশেষ অভিজ্ঞতাৰ অধিকাৰী হ'ব।

০০০০০

ভোটাৰ তালিকাৰ বিশেষ সংশোধন, এছ্ আই আৰক ভোটাৰ, ৰাজনৈতিক দল আদিয়ে শলাগ লৈছে বুলি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে প্ৰকাশ কৰিছে। পাটনাত আজি অনুষ্ঠিত এখন সংবাদ মেলত তেওঁ কয়, যে আইনগত আৰু বিধিগতভাৱে এছ্ আই আৰ গ্ৰহণ কৰা হৈছে। বিহাৰত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিক কেন্দ্ৰ কৰি দুদিনীয়া ভ্ৰমণ সামৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে লগতে কয়, যে এছ্ আই আৰ অভিযানত সকলোৱে সহযোগ কৰিছিল। এই সময়ছোৱাত ৩ লাখ ৬৬ হাজাৰ ভোটাৰ নিৰ্বাচনী তালিকাৰ খচৰা প্ৰকাশৰ

পাছত সহযোগ কৰিবলৈ আগবাঢ়ি আহিছিল। এছ আই আৰ সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা বি এল অ'সকলক শ্ৰীকুমাৰে ধন্যবাদ জ্ঞাপন কৰে।

দেশত সমাগত এছ আই আৰৰ বাবে নথি-পত্ৰত আধাৰ অন্তৰ্ভুক্ত কৰা সন্দৰ্ভত তেওঁ কয়, যে আধাৰ নাগৰিকত্ব নহয়, বৰঞ্চ ই পৰিচয়ৰ প্ৰমাণ হৈ থাকিব। ইয়াৰ পূৰ্বে নিৰ্বাচন আয়োগে ৰাজনৈতিক দল, প্ৰশাসনিক বিষয়া, মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান, ৰাজ্যিক আৰক্ষী বাহিনী, কেন্দ্ৰীয় আৰক্ষী বাহিনী, বিভিন্ন বিধি বলবৎকাৰী সংস্থাৰ সৈতে পৰ্য্যালোচনা বৈঠকত মিলিত হয়।

ooooo

বিহাৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে পাটনাত কাইলৈ আসন ভাগ-বতৰা সন্দৰ্ভত ঝাৰখণ্ড মুক্তি মৰ্চা, জে এম এম আৰু ৰাষ্ট্ৰীয় জনতা দল, আৰ জে ডিৰ মাজত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব। জে এম এমৰ সভাপতি আৰু ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে এই দায়িত্ব ৰাজ্যিক মন্ত্ৰী সুদিব্য কুমাৰ ছানু আৰু জে এম এমৰ সাধাৰণ সম্পাদক বিনোদ পাণ্ডেক অৰ্পণ কৰিছে। দুয়োগৰাকী নেতা কাইলৈ পাটনাত উপস্থিত হৈ আৰ জে ডিৰ নেতা তেজস্বী যাদৱৰ সৈতে আসন ভাগ-বতৰা সন্দৰ্ভত আলোচনাত মিলিত হ'ব। ইয়াৰ পূৰ্বে ছেপ্তেম্বৰ মাহত মুখ্যমন্ত্ৰী হেমন্ত চোৰেণ আৰ জে ডি প্ৰধান লালু প্ৰসাদৰ সৈতে পাটনাত এটা ৰেলীত মিলিত হৈছিল যদিও আসনৰ ভাগ-বতৰা সন্দৰ্ভত কোনো ধৰণৰ বাৰ্তালাপ হোৱা নাছিল। দলীয় সূত্ৰই প্ৰকাশ কৰা অনুসৰি, বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যখনৰ সীমান্ত জিলাৰ সমষ্টিসমূহৰ পৰা জে এম এমে প্ৰস্তুতি আৰম্ভ কৰিছে।

ooooo

নেপালত পৰহিৰে পৰা হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত হোৱা ভূমিস্খলন আৰু বানত ৪৭ জন লোকৰ মৃত্যু হৈছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। ভূমিস্খলনত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হোৱা ইল্লাম জিলাত কমেও ৩৭ জন লোকৰ মৃত্যু হৈছে। দেশখনৰ ৰাষ্ট্ৰীয় দুৰ্য্যোগ হ্ৰাস আৰু ব্যৱস্থাপনা কৰ্তৃপক্ষৰ মুখপাত্ৰই নিৰুদ্দেশ হোৱা লোকসকলৰ উদ্ধাৰৰ প্ৰচেষ্টা অব্যাহত আছে বুলি জানিবলৈ দিছে। কাঠমাণ্ডু বিমান বন্দৰত ঘৰুৱা বিমানৰ চলাচল কিছু ক্ষেত্ৰত বাধাগ্ৰস্ত হৈছে যদিও আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা স্বাভাৱিকভাৱেই চলি আছে বুলি বিমান বন্দৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। নেপালৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ বিষয়াসকলে কাইলৈ পৰ্য্যন্ত বৰষুণ হৈ থাকিব পাৰে বুলি প্ৰকাশ কৰাৰ লগতে এই দুৰ্য্যোগত বিপৰ্য্যস্তসকলক সহায় কৰিবলৈ প্ৰচেষ্টা অব্যাহত আছে বুলি জানিবলৈ দিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালত ধাৰাষাৰ বৰষুণৰ ফলত হোৱা ক্ষতি-ক্ষতি অত্যন্ত দুখজনক বুলি মন্তব্য কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীমোদীয়ে কয়, যে এই কঠিন সময়ত ভাৰত নেপালৰ জনসাধাৰণ আৰু চৰকাৰৰ কাষত আছে। প্ৰতিবেশী ৰাষ্ট্ৰ হিচাপে ভাৰতে প্ৰয়োজনীয় সকলো সহায় আগবঢ়াবলৈ প্ৰস্তুত বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাগ্ৰামা মহিলাৰীলৈ অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে প্ৰধানমন্ত্ৰীয়ে শ্ৰীমহিলাৰী আৰু তেওঁৰ দললৈ শুভেচ্ছা জনাইছে। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে বি টি চিৰ

উন্নয়নত সহায় কৰি যাব আৰু বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ দৃষ্টিভংগী পূৰণ কৰি সৰ্বাংগীন উন্নয়ন নিশ্চিত কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ৰাজ্যৰ মুখ্যসচিব ৰবি কোটাৰ অনুমোদন মৰ্মে বিটিচিৰ সচিব অমৰেন্দ্ৰ ডেকাই হাগ্ৰামা মহিলাৰীক আজি পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়।

কোকৰাঝাৰৰ বিটিচি সচিবালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু, ইউ পি পি এলৰ নেতা তথা মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক লৰেন্স ইছলাৰীকে ধৰি কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে। শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰথম পৰ্যায়ত ১০ গৰাকী পাৰিষদে বিটিচিৰ কাৰ্যবাহী সদস্য হিচাপে শপত লয়।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে দাৰ্জিলিঙৰ ধাৰাষাৰ বৰষুণত প্ৰাণ হেৰুওৱা লোকসকললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে শ্ৰীশ্বাহে কয়, যে ৰাষ্ট্ৰীয় দুৰ্য্যোগ সঁহাৰি বাহিনী ইতিমধ্যে দাৰ্জিলিঙত উপস্থিত হৈছে আৰু অন্যান্য সংগঠনসমূহো প্ৰয়োজন অনুসৰি সহায় কৰিবলৈ প্ৰস্তুত আছে। শ্ৰীশ্বাহে দাৰ্জিলিঙৰ সাংসদ ৰাজু বিষ্টাৰ সৈতে কথা পাতি পৰিস্থিতিৰ বুজ লৈছে বুলি জানিবলৈ দিছে। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে, উত্তৰবংগৰ গোৰ্খালেণ্ড আঞ্চলিক প্ৰশাসনৰ অন্তৰ্গত দাৰ্জিলিং জিলাত কালিৰে পৰা হোৱা ধাৰাষাৰ বৰষুণ আৰু ভূমিস্খলনৰ ফলত কুৰিজনতকৈ অধিক লোকে প্ৰাণ হেৰুৱাইছে। একেৰাহে হৈ থকা প্ৰচণ্ড বৰষুণৰ ফলত মিৰিক, কাৰ্ছিয়াং, ৰংভাং, পুলবাজাৰ আদি এলেকা সমুলি জলবন্দী হৈ পৰাৰ লগতে পাহাৰীয়া জিলা কালিম্পং আৰু কাষৰীয়া বিভিন্ন এলেকাত হোৱা ধাৰাষাৰ বৰষুণ আৰু ভূমিস্ফলনে জনসাধাৰণলৈ বিপৰ্যয় কঢ়িয়াই আনিছে। তিস্তা নৈৰ পানী ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে বাগৰি যোৱাৰ ফলত যানবাহনৰ চলাচল ব্যাহত হৈ পৰিছে। শিলিগুৰিৰ সৈতে ছিকিমক সংযোগ কৰা ১০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটো ভালেমান ঠাইত বন্ধ কৰি দিবলগীয়া হৈছে।

বৰষুণ আৰু ভূমিস্ফলনৰ ফলত মিৰিক উপ সংমণ্ডলৰ বিভিন্ন ঠাইত ১৩ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে আন ৪ জন লোক গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'বলগীয়া হৈছে। দাৰ্জিলিং উপ সংমণ্ডলৰ সুখীয়া পৰ্খী এলেকাত ৬ জন লোকৰ প্ৰাণ হানি হোৱাৰ লগতে আন এজন সন্ধানহীন হৈ আছে।

ooooo

জম্মু-কাশ্মীৰত আজি সন্ধিয়াৰে পৰা ধাৰাষাৰ বৰষুণ হ'ব বুলি বতৰ বিজ্ঞান বিভাগে পূৰ্বাভাষ জাৰি কৰাৰ পাছত বিদ্যালয় শিক্ষাৰ সঞ্চালকালয়ে জম্মু সংমণ্ডলত কাইলৈ আৰু পৰহিলৈ সকলো চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয় বন্ধ ৰাখিবলৈ নিৰ্দেশ জাৰি কৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ সুৰক্ষা নিশ্চিত কৰিবলৈ জম্মু সংমণ্ডলত বন্ধ ঘোষণা কৰা হৈছে আৰু বতৰৰ পৰিস্থিতিলৈ চাই পৰৱৰ্তী নিৰ্দেশনা জাৰি কৰা হ'ব।

ooooo

কেৰালাৰ পাথানামথিট্টা, ইডুক্কি আৰু কোট্টায়াম জিলাত বতৰ বিজ্ঞান বিভাগে য়েল্ল' এলাৰ্ট জাৰি কৰিছে। মাছমৰীয়াসকলক আৰৱ সাগৰত মাছ মাৰিবলৈ যাবলৈ বাধা প্ৰদান কৰা হৈছে।

ooooo

মধ্য প্ৰদেশৰ চিন্দৱাড়া জিলাত কাহৰ ঔষধ সেৱন কৰি ১১ টি শিশুৰ মৃত্যু হোৱাৰ পাছত ৰাজ্যখনৰ চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। চিকিৎসক আৰু ঔষধ নিৰ্মাণকাৰী কোম্পানীটোৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাৰ লগতে যোৱা নিশা প্ৰবীণ ছোনী নামৰ চিকিৎসকজনক গ্ৰেপ্তাৰ কৰা হয়। উল্লেখযোগ্য যে, কালি প্ৰকাশ পোৱা এখন প্ৰতিবেদনত ক'লড্ৰিফ চিৰাপত ৪৮ দশমিক ৬ শতাংশ ডাইইথাইলিন গ্লাইকল আছিল বুলি প্ৰকাশ কৰিছে। তামিলনাডুৰ শ্ৰীছান ফাৰ্মাচিউটিকেলছ্ নামৰ কোম্পানীটোৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰটো বিশেষ তদন্তকাৰী দলে তদন্ত কৰিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত  আজি ভাৰতে পাকিস্তানক জয়ৰ বাবে ২৪৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৪৭ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ হাৰলিন দেউলে সৰ্বাধিক ৪৬ ৰাণ কৰে। পাকিস্তানৰ ডাইনা বেগে চাৰিটা আৰু ফাতিমা চানাই দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে পাকিস্তানে টছ্ট জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়।

০০০০০

আবুধাবিত চলি থকা আল আইন মাষ্টাৰ্ছ-২০২৫, বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ উদীয়মান খেলুৱৈ শ্ৰীয়াঙ্গী ৱলিচেট্টিয়ে মহিলাৰ ছিংগলছৰ খিতাপ দখল কৰিছে। ভাৰতীয় খেলুৱৈগৰাকীয়ে প্ৰতিদ্বন্দ্বী তাছনিমক ১৫-২১, ২২-২০ আৰু ২২-২০ গেমত পৰাস্ত কৰে।

পুৰুষৰ ডাবলছৰ ফাইনেলত আজি ভাৰতীয় যুটী হৰিহৰণ আমছা কৰুণন আৰু অৰ্জুন মাদাথিল ৰামাচন্দ্ৰন ইন্দোনেছিয়াৰ ৰেমণ্ড ইন্দ্ৰ আৰু নিকোলাচ জোৱাকিনৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত